জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**নং ঃ ৮১৫/২০২০**

# ডিব্ৰুগড় দূৰদৰ্শন কেন্দ্ৰ আৰু অনাতাঁৰ কেন্দ্ৰক বৰ্তমানৰ ৰূপত বাহাল ৰখা সন্দৰ্ভত কেন্দ্ৰীয় তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰীলৈ পত্ৰ প্ৰেৰণ কৰিলে মুখ্যমন্ত্ৰী সোণোৱালে

**দিছপুৰ, ৪ ডিচেম্বৰ ঃ** প্ৰচাৰ ভাৰতীয়ে ডিব্ৰুগড় দূৰদৰ্শন কেন্দ্ৰ আৰু আকাশবাণী ডিব্ৰুগড়ক কেৱল ৰীলে কেন্দ্ৰ হিচাপে বাহাল ৰাখি নিজা প্ৰচাৰ কাৰ্যসূচী সীমিতকৰণৰ বাবে লোৱা পদক্ষেপ সন্দৰ্ভত মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি কেন্দ্ৰীয় তথ্য আৰু সম্প্ৰচাৰ দপ্তৰৰ মন্ত্ৰী প্ৰকাশ জাভেদকাৰলৈ এক গুৰুত্বপূৰ্ণ পত্ৰ প্ৰেৰণ কৰিছে। পত্ৰখনৰ জৰিয়তে মুখ্যমন্ত্ৰীয়ে উজনি অসমৰ কেইবাখনো জিলা তথা অৰুণাচল প্ৰদেশৰ পূবৰ জিলাকেইখনক সামৰি লোৱা আকাশবাণী আৰু দূৰদৰ্শন এই দুটা কেন্দ্ৰৰ গুৰুত্বৰ কথা অনুধাৱন কৰি কেন্দ্ৰ দুটাৰ বৰ্তমানৰ ব্যৱস্থা বাহাল ৰখাৰ বাবে কেন্দ্ৰীয় মন্ত্ৰীগৰাকীক অনুৰোধ জনাইছে।

মুখ্যমন্ত্ৰীয়ে পত্ৰখনৰ জৰিয়তে কেন্দ্ৰীয় মন্ত্ৰীগৰাকীক অৱগত কৰে যে ১৯৯৩ চনৰ মে' মাহৰ পৰা ডিব্ৰুগড় দূৰদৰ্শন কেন্দ্ৰই পূৰ্ণাংগ ৰূপত কাম-কাজ চলাই আহিছে। তদুপৰি, ডিব্ৰুগড় অনাতাঁৰ কেন্দ্ৰই ২০১৯ চনত গৌৰৱোজ্জ্বল ৫০ বছৰ অতিক্ৰম কৰিছে। বৃহত্তৰ উজনি অসমৰ লগতে অৰুণাচল প্ৰদেশৰ পূব প্ৰান্তত বসবাস কৰা বিভিন্ন জাতি-জনগোষ্ঠীৰ কলা-সংস্কৃতি বিকশাই তোলাৰ দিশত কেন্দ্ৰ দুটাই গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। সেয়েহে এই কেন্দ্ৰ দুটাৰ স্বকীয় ৰূপ অক্ষুণ্ণ ৰখাটো একান্ত প্ৰয়োজনীয়। মুখ্যমন্ত্ৰীয়ে লগতে এই সন্দৰ্ভত উজনি অসমৰ জনসাধাৰণ তথা বিদ্বৎ মহলৰ মাজত প্ৰতিক্ৰিয়াৰ সৃষ্টিৰ কথা সংবাদ মাধ্যমত প্ৰকাশ পোৱাৰ বিষয়েও কেন্দ্ৰীয় মন্ত্ৰীগৰাকীক অৱগত কৰে।

**পুঃডেঃ / বঃভাঃ**
**৪/১২/২০২০**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in